# দেশবন্ধু কলেজৰ সহযোগী অধ্যাপিকা ড° আৰতি বৰুৱালৈ ভাৰত এক্সেলেঞ্চ বঁটা



গুৱাহাটী ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২ মে' ঃ দিল্লী বিশ্ববিদ্যালয়ৰ অধীনৰ দেশবন্ধু কলেজৰ সহযোগী অধ্যাপক ড° আৰতি বৰুৱাই লাভ কৰিছে ২০১৬ বৰ্ষৰ ভাৰত এক্সেলেঞ্চ পুৰস্কাৰ। যোৱা ২৫ এপ্ৰিলত নতুন দিল্লীত অনুষ্ঠিত হোৱা এক *দহ পিঠিলৈ*

**Continue reading.......**

# ড° আৰতি বৰুৱালৈ ভাৰত এক্সেলেঞ্চ বঁটা

এক পিঠিৰ পৰা গাম্ভীৰ্য পূৰ্ণ অনুষ্ঠানত অসমীয়া জীয়ৰী ড° আৰতি বৰুৱাক এই বঁটা প্ৰদান কৰে ছিকিমৰ প্ৰাক্তন ৰাজ্যপাল চৌধুৰী ৰণধীৰ সিঙে। ফেণ্ডশ্বিপ ফ'ৰাম (এফ এফ আই)-এ আগবঢ়োৱা এই বঁটাৰ সৈতে আছে স্বৰ্ণপদক, সম্বৰ্ধনা-পত্ৰ। নতুন দিল্লীৰ আই আই চিত অনুষ্ঠিত হোৱা 'অৰ্থনৈতিক প্ৰবৃদ্ধি আৰু জাতীয় ঐক্য' শীৰ্ষক বক্তৃতানুষ্ঠানত দেশৰ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। দেশবন্ধু কলেজৰ সহযোগী অধ্যাপিকা ড° আৰতি বৰুৱা সমান্তৰালভাৱে শোপেনহুৱেৰ ছচাইটিৰ ভাৰতীয় শাখাৰ সঞ্চালক হিচাপেও কৰ্মৰত হৈ আছে। ড° আৰতি বৰুৱা ডিব্ৰুগড়ৰ প্ৰবীণ মুক্তিযোদ্ধা ভুৱন চন্দ্ৰ ডেকা আৰু প্ৰয়াত নিশিবালা ডেকাৰ কন্যা। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বে ড° বৰুৱাই 'ভাৰত জ্যোতি ২০১৫' আৰু '২০১৫ বৰ্ষৰ শ্ৰেষ্ঠ নাগৰিক'ৰ সন্মান লাভ কৰিছিল।

© Dainik Janambhumi, 2015 | Power by Web.Com(I) Pvt. Ltd.